[20-HKPGDEN-M4S(N)21J]

MA 4th Semester (New) Exam., 2020

ASSAMESE

[PGAS-S4-04 (Lang)]

(তিব্বত-বর্মীয় ভাষা আৰু ইয়াৰ তুলনা)

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

১। (ক) তলৰ প্ৰশ্নসমূহৰ চমু উত্তৰ দিয়ক : ১×৮=৮

(i) শ্যাম-চীনীয় শাখাৰ অসমত থকা দুটা ভাষাৰ নাম উল্লেখ কৰক।

(ii) উত্তৰ অসম শাখাৰ অন্তৰ্গত প্ৰধান ভাষাকেইটা কি কি?

(iii) কাৰ্বি ভাষাত অনুনাসিকতা আৰু স্বৰৰ দীৰ্ঘতা বিশিষ্ট ধ্বনি হয়নে?

(iv) বৰো ভাষাত কি কি সুৰ পোৱা যায়?

(v) ৰাভা ভাষাৰ লিংগ প্ৰকৰণৰ এটা প্ৰধান বৈশিষ্ট্য উদাহৰণসহ লিখক।

(vi) *A Descriptive Analysis of the Bodo Language*ৰ লিখক কোন?

(vii) তিব্বত-বর্মীয় ভাষাত প্ৰয়োগ হোৱা কামৰূপী উপভাষা শব্দৰ দুটা উদাহৰণ দাঙি ধৰক।

(viii) অসমীয়া ভাষাৰ 'দুখীয়া' আৰু 'ইকৰা' শব্দ দুটা ডিমাছা ভাষাত কি ৰূপত পোৱা যায়?

(খ) খালী ঠাই পূৰ কৰক : ১×৪=৪

(i) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি _____ টা।

(ii) অসমীয়া ভাষাৰ শ্ৰুতিধ্বনি হৈছে _____।

(iii) অসমীয়া ভাষাৰ 'জা' আৰু 'সখী' শব্দৰ পুংলিংগ ৰূপ দুটা হৈছে ক্ৰমে _____ আৰু _____।

(iv) অসমীয়া ভাষাৰ মৌলিক সম্বন্ধবাচক শব্দৰ দুটা নিদৰ্শন হৈছে _____ আৰু _____।

(Continued)

(গ) শুদ্ধ উত্তৰটো নির্ণয় কৰক : ১×৪=৪

(i) ৰাভা ভাষাৰ মৌলিক সংখ্যাবাচক শব্দৰ এটা নিদর্শন হৈছে ৰিখা/গুজৌ/খোল্‌পে।

(ii) অসমীয়া ভাষাৰ সর্বনাম শব্দত প্রত্যয়-বিভক্তি লগ নালাগে/লাগে/কেতিয়াবাহে লাগে।

(iii) অসমীয়া ভাষাত সাধিত সাধু দুই প্রকাৰৰ/তিনি প্রকাৰৰ/পাঁচ প্রকাৰৰ।

(iv) তিব্বত-বর্মীয় ভাষাত ধ্বনি-পৰিৱর্তনৰ যোগেদি ধাতুৰ সাধন হয়/নহয়।

২। তলৰ যি কোনো পাঁচটা প্রশ্নৰ উত্তৰ লিখক (প্রতিটো ৫০ শব্দৰ ভিতৰত) : ২×৫=১০

(ক) বৰো আৰু ৰাভা ভাষাত বচন নিৰপেক্ষ ৰূপৰ লগত প্রত্যয় যোগ হৈ বহুবচন কেনেদৰে হয়, দেখুৱাওক।

(খ) গালং ভাষাত পুৰুষ অনুযায়ী সম্বন্ধবাচক শব্দৰ প্রয়োগ কেনেদৰে হয়, দেখুৱাওক।

(গ) তিব্বত-বর্মীয় ভাষাত নাসিক্য ধ্বনিৰ প্রাধান্য কেনেধৰণৰ?

(ঘ) সম্বন্ধবাচক শব্দত প্রত্যয় যোগ দি কেনেদৰে পুংলিংগ আৰু স্ত্রীলিংগ সাধন কৰা হয়, গাৰো ভাষাৰ পৰা উদাহৰণ দি দেখুৱাওক।

(ঙ) অসমীয়া ভাষাৰ সংখ্যাবাচক শব্দৰ প্রয়োগৰ দুটা বৈশিষ্ট্য লিখক।

(চ) বিধেয় বিশেষণ কাক বোলে? উদাহৰণ উল্লেখ কৰক।

৩। তলৰ যি কোনো চাৰিটা প্রশ্নৰ উত্তৰ লিখক (প্রতিটো প্রায় ১৫০ শব্দৰ ভিতৰত) : ৩×৪=১২

(ক) অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সম্বন্ধবাচক শব্দৰ ক্ষেত্রত থকা তিনিটা সাদৃশ্য উল্লেখ কৰক।

(খ) সম্বন্ধবাচক বদ্ধ-প্রাকৃতিৰ লগত পুৰুষবাচক সর্বনাম যোগ হৈ সম্বন্ধবাচক শব্দৰ সাধন কেনেদৰে হয়, দেউৰী আৰু ডিমাছা ভাষাৰ সহায়ত দেখুৱাওক।

(গ) মিছিং ভাষাত কি কি নিয়মেৰে লিংগভেদ কৰা হয়?

(ঘ) তিব্বত-বর্মীয় ভাষাসমূহত বিশেষ্য আৰু বিশেষণৰ মাজত পার্থক্য আছেনে? চমুকৈ লিখক।

(ঙ) প্রশ্নবোধক সর্বনাম কাক বোলে? অসমীয়া ভাষাত প্রশ্নবোধক সর্বনামৰ প্রয়োগ কেনেদৰে হয়?

(Turn Over)

৪। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ২৫০ শব্দৰ ভিতৰত) : ৬×৩=১৮

(ক) তিব্বত-বর্মীয় ভাষাৰ মূলোদ্ভৱ বা থলুৱা শব্দৰ বিষয়ে এটা টোকা লিখক।

(খ) তিব্বত-বর্মীয় ভাষাৰ ধ্বনিতত্ত্বত অসমীয়া ভাষাৰ উপাদানৰ বিষয়ে টোকা যুগুত কৰক।

(গ) অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ সংখ্যাবাচক শব্দৰ তুলনামূলক আলোচনা আগবঢ়াওক।

(ঘ) অসমীয়া ভাষা আৰু তিব্বত-বর্মীয় বৰো ভাষাৰ সর্বনামৰ এটি তুলনা দাঙি ধৰক।

৫। তলৰ যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখক (প্ৰতিটো প্ৰায় ৩০০ শব্দৰ ভিতৰত) : ৮×৩=২৪

(ক) কার্বি ভাষাৰ ৰূপতাত্ত্বিক বৈশিষ্ট্যসমূহ উদাহৰণসহ আলোচনা কৰক।

(খ) দেউৰী ভাষাৰ স্বৰ আৰু ব্যঞ্জনধ্বনিৰ তালিকাদুখন যুগুত কৰি ত্ৰিস্বৰ ধ্বনিৰ প্ৰয়োগ কেনেদৰে হয়, দেখুৱাওক।

(গ) অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ বিশেষণ প্ৰয়োগৰ ক্ষেত্ৰত থকা পার্থক্যসমূহ আলোচনা কৰক।

(ঘ) অসমীয়া আৰু তিব্বত-বর্মীয় ভাষাৰ ক্ৰিয়াৰ বিষয়ে তুলনামূলক আলোচনা এটা দাঙি ধৰক।

★ ★ ★